জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৯/২০২১

# ৰাজ ভৱনত ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন

**দিছপুৰ, ০৩ ডিচেম্বৰ ঃ** ভাৰতৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ ১৩৭ তম্ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৰাজ্যপাল অধ্যাপক জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ ভৱনত তেখেতৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে নেতাগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

উল্লেখ্য যে বিশিষ্ট ভাস্কৰ্য শিল্পী বীৰেন সিংহই নিৰ্মাণ কৰা এই প্ৰতিমূৰ্তিটো ৰাজ ভৱনৰ দৰবাৰ হলৰ সন্মুখত স্থাপন কৰা হৈছে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত বক্তব্য প্ৰদান কৰি ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে কয় যে ড° ৰাজেন্দ্ৰ প্ৰসাদ আছিল এগৰাকী নেতৃত্ব বহনকাৰী স্বাধীনতা সংগ্ৰামী। সামাজিক ন্যায় আৰু ৰাষ্ট্ৰৰ বিকাশৰ দিশত এইগৰাকী ৰাষ্ট্ৰপতিয়ে গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল বুলিও তেওঁ কয়। অত্যন্ত সৰল জীৱন-যাপন কৰা এইগৰাকী মহান নেতা আছিল উচ্চ চিন্তাৰ অধিকাৰী।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ড° ৰাজেন্দ্ৰ প্ৰসাদক এগৰাকী অতি বিচক্ষণ আৰু বিশাল নেতৃত্বৰ নেতা বুলি অভিহিত কৰে। তেখেতে ভাৰতৰ স্বাধীনতা সংগ্ৰামত অন্যতম ভূমিকাই পালন কৰাই নহয়, সংবিধান সভাৰ অধ্যক্ষ হিচাপে দেশৰ সংবিধান প্ৰণয়ন কৰাৰ দিশতো তেখেতে উল্লেখযোগ্য ভূমিকা পালন কৰি গৈছে। ভাৰতত বিদেশী শাসনৰ বিপৰীতে থিয় হৈ এইগৰাকী নেতাই ব্ৰিটিছৰ বিৰুদ্ধে জনজাগৰণৰ সৃষ্টিৰ দিশত জাতিৰ পিতা মহাত্মা গান্ধীক সৰ্বতোপ্ৰকাৰে সহায়-সহযোগিতা আগবঢ়াইছিল বুলিও তেওঁ মন্তব্য কৰে। এইগৰাকী নেতাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে তেখেতে সংসদীয় নীতি-নিয়ম সৃষ্টিৰ দিশত আগবঢ়োৱা অৱদানৰ কথাও শ্ৰদ্ধাৰে স্মৰণ কৰে। দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি হিচাপে অধিষ্ঠিত হোৱাৰ পিছত তেখেতে ৰাষ্ট্ৰপতি ভৱনক গণতান্ত্ৰিক ব্যৱস্থাৰ এক অন্যতম ভৱন হিচাপে পৰিগণিত কৰাৰ দিশতো অৱদান আগবঢ়াই গৈছে। তেওঁ লগতে কয় যে এইগৰাকী মহান নেতাৰ প্ৰতিমূৰ্তি উন্মোচন অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই তেখেতে আজি বিশেষভাৱে সুখী হৈছে। এই প্ৰতিমূৰ্তি উন্মোচনৰ জৰিয়তে এইগৰাকী নেতাৰ প্ৰতি তেখেতৰ এই জন্মদিনৰ শুভক্ষণত বিশেষ সন্মান প্ৰদৰ্শন কৰাৰ লগতে তেখেতে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা অৰিহণাৰ প্ৰকৃতাৰ্থত অৱলোকন কৰা হৈছে বুলিও তেওঁ কয়।

আজিৰ এই প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানত অসম বিধান সভাৰ অধ্যক্ষ ডাঃ নোমল মমিন, হস্ততাঁত আৰু বস্ত্ৰ ইত্যাদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মোহন, বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, ভাৰতৰত্ন ড° ৰাজেন্দ্ৰ প্ৰসাদৰ নাতি তাৰা সিনহা, পৰিনাতি মনা সিনহাৰ লগতে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**০৩-১২-২০২১**